**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-06-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

----------------------

১। ৰাজ্যৰ ১০খন জিলাত বান পৰিস্থিতি অপৰিৱৰ্তিত। বানত মৃত্যু হোৱা লোকৰ সংখ্যা ১১লৈ বৃদ্ধি। মৃতকৰ নিকটাত্মীয় তথা আহতসকললৈ প্ৰধানমন্ত্ৰী কাৰ্যালয়ৰ তৰফৰ পৰা এককালীন আৰ্থিক সাহায্য প্ৰদানৰ ঘোষণা।

২। লোকসভা নিৰ্বাচনৰ অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণৰ সফল সামৰণি। সাতোটা পৰ্যায়ত ভোটগ্ৰহণ সুচাৰুৰূপে আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন হোৱা বুলি নিৰ্বাচন আয়োগৰ প্ৰকাশ।

৩। নিৰ্বাচনৰ সামৰণিৰ লগে লগে বিভিন্ন সংবাদ মাধ্যমৰ নিৰ্বাচনী সমীক্ষা প্ৰকাশ।

৪। নতুন ফৌজদাৰী আইন বলবৎ হ'লে বৈদ্যুতিন মাধ্যমেৰে এজাহাৰ দাখিল কৰিব পৰা যাব বুলি অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ বিশেষ অধীক্ষকৰ প্ৰকাশ।

**আৰু**

৫। আজিৰে পৰা আমেৰিকা আৰু ৱেষ্ট ইণ্ডিজত আই চি চি টি-২০ বিশ্বকাপ।

০০০০০০

ৰীমালৰ প্ৰভাৱত হোৱা নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যত সৃষ্টি হোৱা বান পৰিস্থিতি এতিয়াও অপৰিৱৰ্তিত অৱস্থাত আছে। এতিয়াও বৰাক উপত্যকাৰ তিনি জিলা কাছাৰ, কৰিমগঞ্জ আৰু হাইলাকান্দিৰ লগতে নগাঁৱৰ কামপুৰৰ বান পৰিস্থিতি জটিল হৈয়ে আছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ তথ্য অনুসৰি ১০খন জিলাৰ ৬ লাখৰো অধিক লোক বানৰ কবলত পৰিছে। বিগত ২৪ ঘণ্টাত বানৰ ফলত ৩ জন লোকে প্ৰাণ হেৰুৱাইছে। ইয়াকে লৈ এইবাৰৰ বানত প্ৰাণ হেৰুওৱা লোকৰ সংখ্যা ১১ জনলৈ বৃদ্ধি পাইছে। হাইলাকান্দি, হোজাই, মৰিগাঁও, কৰিমগঞ্জ, নগাঁও, কাছাৰ, ডিব্ৰুগড়, গোলাঘাট, পশ্চিম কাৰ্বি আংলং আৰু ডিমা হাচাও জিলাৰ মুঠ ২৫টা ৰাজহ চক্ৰৰ অধীনস্থ ৫৯৭ খন গাঁও প্লাৱিত হৈছে আৰু ৪ হাজাৰ ৮০০ হেক্টৰৰো অধিক কৃষিভূমি বানৰ কবলত পৰিছে। ৰাজ্য চৰকাৰে বান প্ৰভাৱিত জিলা কেইখনত মুঠ ১৮৭টা সাহায্য শিবিৰ আৰু ৯৬টা বান সাহায্য বিতৰণ কেন্দ্ৰ স্থাপন কৰিছে। উদ্ধাৰ আৰু সাহায্য অভিযানৰ কামত ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীৰ দল নিয়োগ কৰা হৈছে। বিগত ২৪ ঘণ্টাত ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ প্ৰথম বেটেলিয়নৰ এটা অতিৰিক্ত দল বিমানেৰে গুৱাহাটীৰ পৰা হাইলাকান্দি, কাচাৰ আৰু কৰিমগঞ্জ জিলালৈ প্ৰেৰণ কৰা হৈছে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে প্ৰকাশ কৰা মতে, ৰাজ্যখনত কালি বাঢ়নী পানীয়ে বিভিন্ন জিলাত ২৭টা পথ, মথাউৰি আৰু অন্য আন্তঃগাঁথনিৰ ক্ষতিসাধন কৰে।

ব্ৰহ্মপুত্ৰৰ পানী তেজপুৰ, গুৱাহাটী আৰু গোৱালপাৰাত ক্ৰমৎ বৃদ্ধি পাইছে। কপিলী, ধনশিৰি, পাগলাদিয়া, বুঢ়ীদিহিং আৰু কুশিয়াৰা নৈৰ পানীও ভালেমান ঠাইত বাঢ়িবলৈ লৈছে।

ইফালে, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ তৰফৰ পৰা অসম, মণিপুৰ, মেঘালয়, মিজোৰাম, ত্ৰিপুৰা আৰু পশ্চিমবংগত ৰীমাল প্ৰভাৱত উদ্ভৱ হোৱা প্ৰাকৃতিক দুৰ্যোগত মৃত্যু হোৱা ব্যক্তিৰ নিকতাত্মীয়লৈ দুই লাখ টকাৰ এককালীন সাহায্য আৰু আহত সকললৈ ৫০ হাজাৰ টকাৰ এককালীন সাহায্য ঘোষণা কৰা হৈছে।

০০০০০০

ৰাজ্যৰ শেহতীয়া বান পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ লামডিং সংমণ্ডল অধীনস্থ কেইবাখনো ৰে'ল চলাচল বাতিল কৰা হৈছে। উত্তৰ-পূব সীমান্ত ৰে'লৱেই নিউ হাফলং-চন্দ্ৰনাথপুৰৰ মাজৰ ৰে'ল পথৰ ক্ষতিসাধন আৰু শিলচৰ ষ্টেচনত পানী জমা হোৱাৰ বাবে পথচোৱাৰে চলাচল কৰা কেইবাখনো ৰে'লগাড়ীৰ যাত্ৰা বাতিল কৰিছে। আজি আৰু কাইলৈ শিলচৰ-গুৱাহাটী ৰে'ল, গুৱাহাটী-শিলচৰ ৰে'ল, শিলচৰ-জিৰিবাম ছিৰিবা ৰে'ল, জিৰিবাম ছিৰিবা-শিলচৰ ৰে'ল, শিলচৰ-মণিপুৰ ভৈৰৱী ৰে'ল, দুৰ্লভচাৰ-শিলচৰ ৰে'ল আৰু দুৰ্লভচাৰ-গুৱাহাটী ৰে'লকে ধৰি মুঠ ৮খন যাত্ৰীবাহী ৰে'লৰ চলাচল বন্ধ কৰা হৈছে। আনহাতে ৰে'ল বাতিলৰ ফলত লামডিং জংচনত বহু যাত্ৰী আবদ্ধ হৈ পৰে।

০০০০০০

লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ত কালি ৬২ দশমিক ৩-৬ শতাংশ ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰে। এই পৰ্যায়ত দেশৰ ৭খন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুঠ ৫৭টা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হয়। নিৰ্বাচন আয়োগৰ তথ্য অনুসৰি সপ্তম পৰ্যায়ত বিহাৰত ৫১ দশমিক ৯-২, চণ্ডিগড়ত ৬৭ দশমিক ৯-০, হিমাচল প্ৰদেশত ৭০ দশমিক ০-৫, ঝাৰখণ্ডত ৭০ দশমিক ৬-৬, ওড়িশাত ৭০ দশমিক ৬-৭, পাঞ্জাবত ৬১ দশমিক ৩-২, উত্তৰ প্ৰদেশত ৫৫ দশমিক ৫-৯ আৰু পশ্চিমবংগত ৭৩ দশমিক ৭-৯ শতাংশ ভোটদান সম্পন্ন হৈছে।

সপ্তম তথা অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণ সম্পন্ন হোৱাৰ লগে লগে ১৯ এপ্ৰিলত আৰম্ভ হোৱা বিশ্বৰ সৰ্ববৃহৎ নিৰ্বাচনী প্ৰক্ৰিয়াৰো কালি সামৰণি পৰে। নিৰ্বাচন আয়োগে এটা বিবৃতি যোগে কৈছে যে, লোকসভা নিৰ্বাচনৰ সাতোটা পৰ্যায়ত ভোটগ্ৰহণ সুচাৰুৰূপে আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন হৈছে। মুখ্য নিৰ্বাচন আয়ুক্ত ৰাজীৱ কুমাৰ আৰু আয়ুক্তদ্বয় জ্ঞানেশ কুমাৰ আৰু ড° সুখবীৰ সিং সান্ধুৰ নেতৃত্বত আয়োগে এইবাৰৰ সাধাৰণৰ নিৰ্বাচনৰ সাতোটা পৰ্যায়ত নিৰ্বাচনী প্ৰক্ৰিয়াৰ প্ৰতিটো দিশৰ ওপৰত সূক্ষ্মভাৱে নজৰ ৰাখে। ভোটদাতাসকলে যাতে শংকা বা ভয় অবিহনে ভোটদান কৰিব পাৰে তাৰবাবে এটা অনুকূল বাতাবৰণ গঢ়ি তোলাৰ বাবে নিৰ্বাচনৰ সময়ত কঠোৰ সুৰক্ষা ব্যৱস্থা কৰা হৈছিল বুলি আয়োগে প্ৰকাশ কৰে।

০০০০০০

লোকসভা নিৰ্বাচনৰ সামৰণিৰ লগে লগে বিভিন্ন সংবাদ মাধ্যমে নিৰ্বাচনী সমীক্ষা প্ৰকাশ কৰিছে। শেহতীয়া তথ্য অনুসৰি আজ টক নামৰ সংবাদ প্ৰতিষ্ঠানে এন ডি এ মুঠ নিৰ্বাচন অনুষ্ঠিত ৫৪২ খন আসনৰ ভিতৰত ১৭৪ ৰ পৰা ১৯৫ খন লাভ কৰিব বুলি প্ৰকাশ কৰিছে। ৰিপাবলিক টিভি আৰু পি এম এ আৰ কিউৰ মতে এন ডি এ মিত্ৰজোটে ৩৬৮ খন আসন লাভ কৰি পুনৰ ক্ষমতা দখল কৰাৰ বিপৰীতে কংগ্ৰেছ মিত্ৰজোটে ১২৪ খন আসন

লাভ কৰিব। মেটৰিজ নামৰ প্ৰতিষ্ঠানটোৰ সমীক্ষা অনুসৰিও বিজেপি মিত্ৰজোটে সংখ্যাগৰিষ্ঠতা লাভ কৰিব। টাইমছ্ নাও নৱভাৰতৰ সমীক্ষা অনুসৰি এন ডি এ ২৫২ খন আৰু কংগ্ৰেছ নেতৃত্বাধীন মিত্ৰজোটে ১০৫ খন আসন লাভ কৰাৰ সম্ভাৱনা আছে। একেদৰে জি নিউজৰ সমীক্ষা অনুসৰি এন ডি এ ৩৭০ৰ পৰা ৪ শতাধিক আৰু কংগ্ৰেছ মিত্ৰজোটে ১০৯ ৰ পৰা ১৩৯ খন আসন লাভ কৰাৰ সম্ভাৱনা আছে।

ইফালে নিৰ্বাচনী সমীক্ষাত অসমৰ ১৪খন লোকসভা আসনৰ ভিতৰত আটাইকেইটা সমীক্ষাকাৰী প্ৰতিষ্ঠানে বিজেপিক ১২ খন, কংগ্ৰেছ আৰু এই আই ইউ ডি এফক এখনকৈ আসন দিছে। টাইমছ্ নাও নৱভাৰতৰ নিৰ্বাচনী সমীক্ষা অনুসৰি অসমত বিজেপিয়ে ১২ খন, কংগ্ৰেছে এখন আৰু এই আই ইউ ডি এফে এখনকৈ আসন লাভ কৰিব। একেদৰে নিউজ টুৱেণ্টিফ'ৰ, চাণক্য আৰু নিউজ এক্সৰ সমীক্ষাতো বিজেপি মিত্ৰজোঁটে ১২খন তথা কংগ্ৰেছ আৰু এই আই ইউ ডি এফে এখনকৈ আসন লাভ কৰিব বুলি প্ৰকাশ পাইছে। আনহাতে টুডেইজ চাণক্যৰ সমীক্ষা অনুসৰি অসমত বিজেপি মিত্ৰজোঁটে ১০ খন, কংগ্ৰেছে ২ খন আৰু অন্যান্যই ২ খন আসন লাভ কৰিব। ইফালে উত্তৰ-পূবৰ ২৫ খন আসনক লৈ এ বি পি চি ভোটাৰ্চে প্ৰকাশ কৰা সমীক্ষা অনুসৰি বিজেপি মিত্ৰজোঁটে ১৬ৰ পৰা ২১ খন আৰু আই এন ডি এ মিত্ৰজোঁটে ৩ৰ পৰা ৭খন আসন লাভ কৰিব। অৰুণাচল আৰু মেঘালয়ৰ ৪খন আসনে বিজেপি মিত্ৰজোঁটে লাভ কৰিব বুলি টাইমছ্ নাও নৱভাৰতৰ সমীক্ষাত প্ৰকাশ পাইছে।

০০০০০০

অসম আৰক্ষীয়ে অহা ১ জুলাইৰ পৰা কাৰ্যকৰী হবলগীয়া নতুন ফৌজদাৰী আইন বলবৎকৰণৰ বাবে সকলো প্ৰস্তুতি অব্যাহত ৰাখিছে। আনহাতে, আইনী প্ৰক্ৰিয়াত নতুন আইনে কৰিবলগীয়া সাল সলনিৰ সৈতে সামঞ্জস্য ৰাখি চলিবৰ বাবে অধিবক্তাসকলো সাজু হৈছে। কালি আকাশবাণীৰ দৃষ্টিপাত অনুষ্ঠানত **নতুন ফৌজদাৰী আইন** সন্দৰ্ভত হোৱা আলোচনাত অধিবক্তা নিকুঞ্জ দেৱ শৰ্মা আৰু অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ বিশেষ অধীক্ষক প্ৰণৱজ্যোতি গোস্বামীয়ে এই বিষয়ে প্ৰকাশ কৰে। শ্ৰীগোস্বামীয়ে কয় যে, ভাৰতীয় ন্যায় সংহিতা, নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ্য অধিনিয়ম শীৰ্ষক এই ৩ খন আইন পূৰ্বৰ ভাৰতীয় দণ্ডবিধি, ফৌজদাৰী কাৰ্যবিধি আৰু সাক্ষ্য আইনত কিছু পৰিমাণে সংযোজন নাইবা দুই এটা ধাৰা বিলুপ্তকৰণৰ দ্বাৰা প্ৰস্তুত কৰা হৈছে। ইয়াৰ ভিতৰত ভাৰতীয় দণ্ডবিধিৰ ২১ টা দণ্ডবিধিত ২১ নতুন অপৰাধ সম্পৰ্কীয় ধাৰা সংযোজন কৰা হৈছে। আনহাতে সাক্ষ্য অধিনিয়মৰ ধাৰা অনুসৰি দৃশ্য, শ্ৰব্য তথ্য প্ৰমাণসমূহ সংযোজনৰ ব্যৱস্থা কৰা হ'ব। নতুন ব্যৱস্থা অনুসৰি বৈদ্যুতিন মাধ্যমেৰে এজাহাৰ দাখিল কৰিব পৰা যাব। আনহাতে, ভুৱা তথ্য বা তথ্য গোপন কৰা কাৰ্য ধৰা পেলাবলৈ বিশেষ দফা ৰখা হৈছে। অসম আৰক্ষীৰ লোকসকলক ইয়াৰ বাবে প্ৰশিক্ষণ দি থকা হৈছে। আনহাতে, এই আইন বলবৎকৰণৰ সুবিধা হোৱাকৈ ফৰেনচিক বিভাগটোক অধিক সক্ৰিয় কৰি তোলা হব। ৭ বছৰৰ অধিক কাল শাস্তি ৰায় দিবলগীয়া গোচৰৰ ক্ষেত্ৰত ফৰেনচিক দলক জড়িত কৰিব লাগিব বুলিও অসম আৰক্ষীৰ বিষয়াগৰাকীয়ে কয়। আনহাতে, ইয়াৰ বাবে ৫০০ গৰাকী আৰক্ষী বিষয়াক ফৰেনচিক প্ৰশিক্ষণ দিয়া হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে এই বিভাগত নিযুক্তিৰ সম্ভাৱনা বৃদ্ধি পাব। একেদৰে চাইবাৰ অপৰাধ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত নতুন আইনে সুবিধা প্ৰদান কৰিব বুলি আৰক্ষী বিষয়াগৰাকীয়ে জানিবলৈ দিয়ে।

০০০০০০

অহা ৪ জুনত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ ভোট গণনাৰ বাবে ৰাজ্যৰ জিলা প্ৰশাসনসমূহৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। কামৰূপ মহানগৰ নিৰ্বাচনী জিলাৰ ভোট গণনা প্ৰক্ৰিয়াৰ বাবে নিয়োজিত বিষয়া-কৰ্মচাৰীসকলৰ যাৱতীয় প্ৰশিক্ষণৰ কালি অন্ত পৰে। প্ৰশিক্ষণৰ সামৰণি অনুষ্ঠানত অংশগ্ৰহণ কৰি জিলা আয়ুক্ত তথা গুৱাহাটী লোকসভা সমষ্টিৰ ৰিটাৰ্নিং বিষয়া সুমিত ছাত্তাৱনে ভোট গণনাত নিয়োজিত বিষয়াসকলক নিজৰ দায়িত্ব তথা কৰ্তব্য সুচাৰুৰূপে পালন কৰিবলৈ আহ্বান জনায়।

মৰিগাঁও জিলাৰ তিনিটা সমষ্টিৰ বাবে অহা ৪ জুনত তিনিটা ভোটগণনা কক্ষত ভোট গণনা কৰা হ'ব। ৫২ নং জাগীৰোড সমষ্টিৰ ৩২২টা ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে ২৩টা ৰাউণ্ডত, ৫৩ নং লাহৰীঘাট সমষ্টিৰ ৩২৩টা ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে ২৪টা ৰাউণ্ডত আৰু ৫৪ নং মৰিগাঁও সমষ্টিৰ ২৬৬টা ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে ১৯টা ৰাউণ্ডত ভোটগণনা কৰা হ'ব। প্ৰতিটো ভোটগণনা কক্ষত ১৬খনকৈ মেচ থাকিব। জিলাখনৰ এই সমষ্টি তিনিটাৰ বাবে মুঠ ২১০ গৰাকী ভোটগণনাকাৰী বিষয়া-কৰ্মচাৰীক ইতিমধ্যে প্ৰশিক্ষণ দিয়া হৈছে।

ডিফু লোকসভা সমষ্টিত ভোটগণনাৰ প্ৰক্ৰিয়া সুকলমে সম্পন্ন কৰাৰ লক্ষ্যৰে কাৰ্বি আংলং জিলা প্ৰশাসনে ভোটগণনা কেন্দ্ৰৰ পৰা ১০০ মিটাৰ ক্ষেত্ৰলৈ পদপথ হিচাপে ঘোষণা কৰিছে।

ইফালে নিৰ্বাচনৰ ফলাফল ঘোষণাৰ দিনটোত আইন-শৃংখলা নিয়ন্ত্ৰণৰ বাবে তিনিচুকীয়া জিলা প্ৰশাসনে ১৪৪ ধাৰা জাৰি কৰিছে। সেই অনুসৰি ভোটগণনা কেন্দ্ৰৰ সমীপত প্ৰতিবাদী কাৰ্যসূচী বাহিৰ কৰা, শ্লোগান দিয়া, ভোটগণনা কেন্দ্ৰৰ ভিতৰত লাউডস্পীকাৰ ব্যৱহাৰ কৰা, ম'বাইল ফোন অথবা কেমেৰা লৈ কেন্দ্ৰত প্ৰৱেশ কৰা আদি কাৰ্যত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। আনহাতে ভোটগণনাৰ দিনা প্ৰশাসনৰ অনুমতি অবিহনে কোনো প্ৰাৰ্থী অথবা ৰাজনৈতিক দলে ৰেলী বাহিৰ কৰিব নোৱাৰিব আৰু ভোটগণনা কেন্দ্ৰৰ এক কিলোমিটাৰ দূৰত্বৰ ভিতৰত কোনো ব্যক্তিয়ে লাঠী বা আগ্নেয়াস্ত্ৰ লৈ ফুৰিব নোৱাৰিব বুলিও প্ৰশাসনে নিৰ্দেশনা জাৰি কৰিছে। তদুপৰি ৪ জুনত ভোটগণনা সম্পূৰ্ণ হোৱাৰ পাছত আতচবাজীৰ ব্যৱহাৰতো নিষেধাজ্ঞা আৰোপ কৰা হৈছে।

ইফালে অহা ৪ জুনত হ'বলগীয়া ভোটগণনাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যৰ জিলা প্ৰশাসনসমূহে ড্ৰাই ডে ঘোষণা কৰিছে। সেই সময়ছোৱাত সকলো ধৰণৰ নিচাযুক্ত দ্ৰব্যৰ সেৱন, বিক্ৰী, মজুতকৰণ আদি ক্ষেত্ৰত ভাৰতীয় দণ্ডবিধি ১৪৪ ধাৰাৰ অধীনত নিষেধাজ্ঞা জাৰি কৰা হৈছে।

০০০০০০

আমেৰিকা আৰু ৱেষ্ট ইণ্ডিজত আজিৰে পৰা আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। আই চি চিয়ে আমেৰিকাক পোন প্ৰথমবাৰৰ বাবে টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতা আয়োজন কৰাৰ সুযোগ দিয়াৰ বিপৰীতে ৱেষ্ট ইণ্ডিজে দ্বিতীয়বাৰৰ বাবে এই প্ৰতিযোগিতা আয়োজনৰ দায়িত্ব লাভ কৰিছে। আজি আমেৰিকাৰ টেক্সাচ চহৰৰ গ্ৰেণ্ড পেৰী ষ্টেডিয়ামত ক্ৰিকেট মহাৰণৰ উদ্বোধনী খেলখন অনুষ্ঠিত হ'ব। খেলখনত আমেৰিকাই কানাডাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। উভয় দলে প্ৰথমবাৰৰ বাবে টি-২০ বিশ্বকাপৰ মূল ৰাউণ্ডৰ খেল খেলিব। ইফালে আজিয়েই ৱেষ্ট ইণ্ডিজত হ'বলগা উদ্বোধনী খেলত পাপুৱা নিউগিনিৰ বিৰুদ্ধে খেলি দুবাৰৰ বিশ্ব চেম্পিয়নৰ খিতাপ জয় কৰা কেৰিবিয়ান দলটোৱে অভিযান আৰম্ভ কৰিব। উল্লেখযোগ্য যে এইবাৰৰ প্ৰতিযোগিতাত মুঠ ২০ টা দলে অংশ লৈছে। চাৰিটা গ্ৰুপত এই ২০টা দলক ভাগ কৰা হৈছে। প্ৰতিটো গ্ৰুপৰ পৰা শীৰ্ষ দুটা দলে ছুপাৰ এইট গ্ৰুপলৈ যোগ্যতা অৰ্জন কৰিব। তাৰ পৰাই শীৰ্ষ চাৰিটা দলে ছেমিফাইনেল

খেলিব। প্ৰতিযোগিতাৰ ফাইনেল অহা ২৯ জুনত অনুষ্ঠিত হ'ব। ভাৰতীয় ক্ৰিকেট দলে অহা ৫ জুনত নিউয়ৰ্কত আয়াৰলেণ্ডৰ বিৰুদ্ধে খেলি অভিযান আৰম্ভ কৰিব।

০০০০০০

জাৰ্মানীত অনুষ্ঠিত বন আন্তঃৰাষ্ট্ৰীয় বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ তনভী শৰ্মাই মহিলাৰ ছিংগলছত খিতাপ অৰ্জন কৰিছে। ভাৰতীয় খেলুৱৈগৰাকীয়ে কালি টাইৱানৰ ৱাং পেই ইউক ২১-১৯, ২২-২০ পোনপটীয়া ছেটত পৰাস্ত কৰে।

০০০০০০

লোকসভা নিৰ্বাচনৰ ৭টা পৰ্যায়ত অনুষ্ঠিত ভোটগ্ৰহণ কালি অন্ত পৰাৰ লগে লগে বিভিন্ন সংবাদ প্ৰতিষ্ঠানে চলোৱা নিৰ্বাচনী সমীক্ষা প্ৰকাশ পাইছে। আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰায়বোৰ কাকতেই নিৰ্বাচনী সমীক্ষাৰ বাতৰিক মুখ্য বাতৰিৰ স্থান দিছে।

দৈনিক অসম কাকতে ভোটাৰৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ প্ৰধানমন্ত্ৰী মোদীৰ, নিৰ্বাচনোত্তৰ সমীক্ষাক নস্যাৎ কংগ্ৰেছৰ, এক্‌জিত প'ল, পুনৰ এন ডি এৰ চৰকাৰ শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

যোৱা ৩-৪ দিন ধৰি স্বাভাৱিতকৈ বেছি বৰষুণ হোৱাত ৰাজ্যৰ কেইখনমান জিলাৰ বান পৰিস্থিতিয়ে জটিল ৰূপ ধাৰণ কৰা বাতৰিক আমাৰ অসম কাকতে ৰাজ্যৰ বান পৰিস্থিতি অপৰিৱৰ্তিত, গোৱালপাৰাত দুই ভ্ৰাতৃৰ সলীল সমাধি, হাইলাকান্দি উটি গ'ল বৃদ্ধ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

শিৱসাগৰ জিলাৰ অসম-নাগালেণ্ড আন্তঃৰাজ্যিক সীমান্তৰ গেলেকি সংৰক্ষিত বনাঞ্চলত দ্বিতীয় অসম কমাণ্ডো বেটেলিয়নৰ শিবিৰ স্থাপন প্ৰক্ৰিয়াক লৈ ৰাষ্ট্ৰীয় সেউজ ন্যায়াধীকৰণে তদন্তৰ নিৰ্দেশ দিয়া বাতৰিক অসমীয়া প্ৰতিদিন কাকতে বন বিভাগৰ বিৰুদ্ধে তদন্তৰ নিৰ্দেশ সেউজ ন্যায়াধীকৰণৰ, গেলেকি বনাঞ্চলৰ ২৮ হেক্টৰ ভূমিত পাতিব কমাণ্ডো বেটেলিয়নৰ শিবিৰ শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে। বাতৰিটোক দা ছেণ্টিনেল কাকতেও গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

দেশৰ বিভিন্ন প্ৰান্তত হোৱা গ্ৰীষ্ম প্ৰবাহ সম্পৰ্কীয় এটা বাতৰিক অসমীয়া খবৰ কাকতে অগ্নিকুণ্ডত পৰিণত উত্তৰ ভাৰত, ৪ দিনত ৰাজস্থান-উত্তৰ প্ৰদেশ-দিল্লীত ৩২০ জনৰ মৃত্যু শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাজ্যৰ ক্ষুদ্ৰ চাহ খেতিয়কসকল চাহপাত বিক্ৰীৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হোৱা বুলি হোৱা এটা বাতৰিক দৈনিক জনমভূমি কাকতে দৈনিক ২১ কোটি টকাৰ কেঁচা চাহপাত পেলাই দিব লাগিব ক্ষুদ্ৰ চাহ খেতিয়কে শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

কালি অন্তিম পৰ্যায়ৰ নিৰ্বাচনত ভোটদানৰ হাৰ নিম্ন হৈ থকা বুলি এটা বাতৰিক দৈনিক অগ্ৰদূত কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

অৰুণাচল প্ৰদেশ আৰু ছিকিম বিধানসভা নিৰ্বাচনৰ আজি ভোটগণনা কৰাৰ বাতৰিক দি আছাম ট্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ অন্যান্য বাতৰিৰ ভিতৰত আছে – পুনৰ হ্ৰাস পালে বাণিজ্যিক ৰন্ধন গেছৰ দাম, দুগ্ধ দিৱসত চাৰে ৫ টকা বাঢ়িল গাখীৰৰ দাম, পুনৰ এছিয়াৰ ধনাঢ্য ব্যক্তিৰ শীৰ্ষত গৌতম আদানী ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooo

সমাপ্ত